# অৱতৰণিকা

**০১.১ অধ্যয়নৰ পৰিসৰ আৰু প্ৰয়োজনীয়তা**

'মানুহ' সামাজিক প্ৰাণী। সমাজৰ লগত মানুহৰ সম্বন্ধ বহু যুগৰ। মানুহৰ মনত নিহিতহৈ থকা সাংস্কৃতিক প্ৰবৃত্তিয়েই মানুহক অন্য জীৱৰ পৰা পৃথক কৰি ৰাখিছে। জীৱ শ্ৰেষ্ঠ মানুহে নিজৰ জীৱনটোত নোপোৱাটো পাবলৈ, নেদেখাটো চাবলৈ সদায় ব্যগ্ৰ। সেয়ে যুগে-যুগে মানুহে সুন্দৰৰ আৰাধনা কৰি গঢ় দিছে নতুন সভ্যতা সংস্কৃতিৰ। ঈশ্বৰ বিশ্বাস আৰু তাৰ তাড়নাত সৃষ্ট মঠ-মন্দিৰ, দৌল-দেৱালয় আদিৰ নিৰ্মাণ ইয়াৰেই ফলশ্ৰুতি।

লখিমপুৰ জিলাৰ ঢকুৱাখনা মহকুমাৰ চুকে-কোণে থকা বিভিন্ন মঠ-মন্দিৰ সমূহে অঞ্চলটোত আধ্যাত্মিক, সামাজিক আৰু মানসিক চিন্তাৰ প্ৰতিফলন ঘটাই আহিছে। বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ আগতেই অঞ্চলটোত শক্তিৰ পূজা চলিছিল। পিছত শক্তি পূজাৰ সমান্তৰাল ভাৱে বৈদিক আৰু বৈষ্ণৱ পূজা-অৰ্চনা প্ৰচলিত হোৱাৰ কথা অঞ্চলটোৰ শ্ৰী শ্ৰী বাসুদেৱ থান নৰোৱা সত্ৰই সোঁৱৰাই দিয়ে। বৰ্তমান অঞ্চলটোৰ জনসাধাৰণে বৈষ্ণৱ, শাক্ত, শৈৱ এই তিনিওটা ধাৰাৰ পূজা-অৰ্চনাৰে নিজৰ উপাস্য দেৱতাক আৰাধনা কৰি আহিছে।

এটা অঞ্চলৰ অতীতৰ সংস্কৃতিৰ আঁচলত ধৰিয়েই বৰ্তমানৰ জন্ম হয়। ঢকুৱাখনা মহকুমাৰ বিভিন্ন ঠাইত অৱস্থিত মঠ-মন্দিৰ সমূহত অঞ্চলবাসীয়ে সময়ে সময়ে বিভিন্ন উৎসৱ অনষ্ঠানৰ আয়োজন কৰি সংস্কৃতিৰ পথাৰ খন জীপাল কৰি ৰাখিছে। যাৰ জৰিয়তে অঞ্চলটোত সুস্থিৰ সামাজিক বাতাবৰণ সৃষ্টি আৰু জনসাধাৰণৰ মাজত ঐক্য সম্প্ৰীতি বৰ্তাই ৰখাত যথেষ্ট সহায় হৈছে বুলি কব পাৰি।

মঠ-মন্দিৰ সম্পৰ্কে পূৰ্বৰে পৰা বিভিন্ন পণ্ডিতে বিভিন্ন ধৰণে আলোচনা কৰি আহিছে। তথাপিও এই আলোচনাৰ পৰিসৰ ইমানেই বিশাল যে, ইয়াৰ আলোচনা বৰ্তমানেও অব্যাহত আছে আৰু ভৱিষ্যতেও থাকিব। আমাৰ গৱেষণা গ্ৰন্থখনৰ আবয়বিক দিশ আৰু সময়ৰ প্ৰতি লক্ষ্য ৰাখি সেয়ে লখিমপুৰ জিলাৰ

ঢকুৱাখনা অঞ্চলৰ চুকে-কোণে থকা মঠ-মন্দিৰ সমূহত অনুষ্ঠিত উৎসৱ পাৰ্বণ সমূহৰ ওপৰত আলোকপাত কৰিবলৈ প্ৰয়াস কৰা হৈছে। তাৰ বাবে অঞ্চলটোৰ সাতটা মঠ-মন্দিৰ নিৰ্বাচন কৰি লোৱা হৈছে। সেই মঠ-মন্দিৰ সমূহ এনেধৰণৰ —

১. শ্ৰীশ্ৰী ঈশ্বৰীয় হাৰ্হি দেৱালয়

২. শ্ৰীশ্ৰী বাসুদেৱ থান নৰোৱা সত্ৰ

৩. শ্ৰীশ্ৰী বৰঠাই সত্ৰ

৪. গোপালপুৰ সত্ৰ

৫. গোবিন্দপুৰ সত্ৰ

৬. গৰখীয়া দ'ল

৭. পৰম পুৰুযোত্তম শ্ৰীশ্ৰী প্ৰসিদ্ধ চন্দ্ৰ দেৱ মহা-মন্দিৰ

ইয়াৰ ভিতৰত প্ৰাচীন আৰু নতুনকৈ স্থাপিত মঠ-মন্দিৰও অন্তৰ্ভুক্ত কৰা হৈছে। গৱেষণা গ্ৰন্থখনত ঢকুৱাখনা অঞ্চলৰ ভৌগোলিক, সামাজিক, সাংস্কৃতিক দিশৰ লগতে মঠ-মন্দিৰ সমূহৰ উৎপত্তি, তাত অনুষ্ঠিত উৎসৱ-পাৰ্বণ, জনসাধাৰণৰ বিশ্বাস আৰু মঠ-মন্দিৰ সমূহৰ লগত অঞ্চলবাসীৰ সামাজিক সমন্বয়ৰ বিভিন্ন দিশৰ প্ৰণালীবদ্ধ আলোচনা কৰাৰ প্ৰযত্ন কৰা হ'ব।

**০১.২ অধ্যয়নৰ সমল ঃ**

আমাৰ অধ্যয়ন কাৰ্যত দুই ধৰণৰ সমল প্ৰয়োগ কৰা হৈছে। মূখ্য সমল আৰু গৌণ সমল। অধ্যয়ন কাৰ্যত তথ্য সংগ্ৰহৰ সময়ত বিভিন্ন ব্যক্তিৰ পৰা লোৱা তথ্য বোৰক মূখ্য সমল আৰু বিভিন্ন গ্ৰন্থ কিতাপ-পত্ৰ আদিৰ পৰা পোৱা তথ্যক গৌন সমল হিচাপে লোৱা হৈছে।

**০১.৩ অধ্যয়নৰ উদ্দেশ্য ঃ**

গৱেষণা গ্ৰন্থখনত কৰা আলোচনাৰ জৰিয়তে ঢকুৱাখনা অঞ্চলৰ নিৰ্বাচিত মঠ-মন্দিৰ সমূহত অনুষ্ঠিত উৎসৱ-পাৰ্ব্বণ সমূহৰ পূৰ্বৰূপ আৰু মৌলিকত্বৰ লগতে, সময়ৰ লগত এইবোৰৰ পৰিবৰ্তন সম্পৰ্কীয় দিশৰ বিশ্লেষণ কৰিবলৈ যত্ন কৰা হ'ব। লগতে উক্ত মঠ-মন্দিৰ সমূহত পালনীয় উৎসৱ সমূহে অঞ্চলবাসীৰ মনত কেনেধৰণে প্ৰভাৱ পেলাইছে, জনসাধৰণৰ আস্থা আৰু বিশ্বাস, বৰ্তমান সমাজত এইবোৰৰ প্ৰাসংগিকতা আদি দিশ সমূহৰ পদ্ধতিগত বিশ্লেষণেই আমাৰ গৱেষণা গ্ৰন্থৰ উদ্দেশ্য।

**০১.৪ গৱেষণীয় পদ্ধতি ঃ**

এই গৱেষণা কাৰ্য্যত মূলতঃ ক্ষেত্ৰভিত্তিক অধ্যয়ন পদ্ধতি প্ৰয়োগ কৰা হৈছে। প্ৰয়োজন সাপেক্ষে বিশ্লেষণাত্মক পদ্ধতিৰো সহায় লোৱা হৈছে।